**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 3-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কিছু সময় পাছত ব্ৰুনেইত উপস্থিত হ'ব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে সকলো শৈক্ষিক প্ৰতিষ্ঠানত ছাত্ৰীসকলৰ বাবে এটা নিৰাপদ বাতাবৰণ গঢ়ি তোলা উচিত।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কাইলৈ পৰ্যন্ত গুৱাহাটী আৰু চৌপাশৰ এলেকাসমূহত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

৪। ভাৰতৰ ৰোহন বোপন্না আৰু ইণ্ডোনেছিয়াৰ অল্ডিলা ছুত্‌জিয়াদিৰ যুটীটোৱে ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। ভাৰতৰ সুমিত অন্তিলে নতুন অভিলেখ স্থাপনেৰে পেৰিছ পেৰালিম্পিকছৰ জেভলিন থ্ৰ'ত খিতাপ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কিছুসময়ৰ পাছত ব্ৰুনেই আৰু ছিংগাপুৰ ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ব্ৰুনেইৰ ৰাজধানী বন্দৰ ছেৰী বিগৱানত উপস্থিত হ'ব। ব্ৰুনেই বিমান বন্দৰত প্ৰধানমন্ত্ৰীক আনুষ্ঠানিকভাৱে অভ্যৰ্থনা জনোৱা হ'ব। ভ্ৰমণৰ প্ৰথম দিনা শ্ৰী মোদীয়ে আজি ব্ৰুনেইত থকা ভাৰতীয় উচ্চায়োগৰ খণ্ডপীঠ মুকলি কৰি। তেওঁ লগতে আজি ওমৰ আলী ছেইফুদ্দিন মছজিদো পৰিদৰ্শন কৰাৰ কথা আছে।

ইয়াৰ আগেয়ে দ্বিদেশীয় ভ্ৰমণসূচীৰে ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ব্ৰুনেই আৰু ছিংগাপুৰ ভ্ৰমণে দেশ দুখনৰ লগতে বৃহত্তৰ আছিয়া অঞ্চলৰ সৈতে ভাৰতৰ সহযোগিতা সুদৃঢ় কৰিব বুলি আস্থা প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে কয় যে, দুয়োখন দেশ ভাৰতৰ এক্ট ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ সহযোগি। প্ৰধানমন্ত্ৰীয়ে কয় যে, আজি তেওঁ ব্ৰুনেই ডাৰেছালামৰ প্ৰথম দ্বিপাক্ষিক ভ্ৰমণ সূচীৰে ৰাওনা হ'বলৈ ওলাইছে। ভাৰত আৰু ব্ৰুনেই দুয়ো দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ বছৰ সম্পূৰ্ণ হোৱাৰ উৎসৱ পালন কৰাৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, তেওঁ চুলতান হাজি হছনল বোলকিয়া আৰু ৰাজ পৰিয়ালৰ অন্য সদস্যসকলৰ সৈতে আলোচনাত মিলিত হ'বলৈ আগ্ৰহেৰে বাট চাই আছে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, ব্ৰুনেইৰ পৰা তেওঁ কাইলৈ ছিংগাপুৰলৈ যাব। শ্ৰী মোদীয়ে কয় যে, তেওঁক ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমন ছনমুগৰত্নম, প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱং, জ্যেষ্ঠ মন্ত্ৰী লী ছিয়েন লুং আৰু জ্যেষ্ঠ নেতা গোহচোক তোঙক

সাক্ষাৎ কৰাৰ এই সুযোগলৈ আগ্ৰহেৰে অপেক্ষা কৰি আছে। ভ্ৰমণকালত শ্ৰী মোদীয়ে ছিংগাপুৰত আগশাৰীৰ ব্যৱসায়ীসকলকো সাক্ষাৎ কৰিব। প্ৰধানমন্ত্ৰীয়ে কৈছে যে, তেওঁ ছিংগাপুৰৰ সৈতে বিশেষকৈ উন্নত নিৰ্মাণ ডিজিটীয়কৰণ আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত কৌশলগত সহযোগিতা গভীৰ কৰি তোলাৰ বিষয়লৈ আলোচনা কৰিব।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে শৈক্ষিক প্ৰতিষ্ঠানসমূহে ছাত্ৰীসকলৰ বাবে এটা নিৰাপদ পৰিৱেশ সৃষ্টি কৰা উচিত, কিয়নো দেশৰ বিকাশৰ ক্ষেত্ৰত তেওঁলোকো গুৰুত্বপূৰ্ণ অংশ। আজি পুনেত ছিম্বায়ছিছ বিশ্ববিদ্যালয়ৰ ২১ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত ভাগ লৈ শ্ৰীমতী মুৰ্মুৱে এইদৰে কয়। তেওঁ লিংগ ক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিশ্ববিদ্যালয়খনে সৰ্বাংগীন উন্নয়নৰ দিশত কৰা প্ৰচেষ্টাৰ শলাগ লয় আৰু ১১ গৰাকী সোণৰ পদক প্ৰাপ্ত শিক্ষাৰ্থীৰ ভিতৰত ৮ গৰাকীয়ে ছোৱালী বুলি উল্লেখ কৰে।

তেওঁ শৈক্ষিক প্ৰতিষ্ঠানসমূহে মূল্য আধাৰিত আৰু শিক্ষাৰ্থীসকলক সংস্কৃতিৰ লগতে সমাজৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজাত সহায়ক হোৱাকৈ শিক্ষা প্ৰদান কৰিবলৈ আহ্বান জনায়। শ্ৰীমতী মুৰ্মুৱে সমাজৰ অনুন্নত শ্ৰেণীৰ লোকসকলৰ কথা মনত ৰাখি স্বাস্থ্য সেৱাৰ সামগ্ৰী বিকাশিত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ বিশ্ববিদ্যালয়খনত অধ্যয়নৰত বিদেশী শিক্ষাৰ্থীসকলে তেওঁলোকৰ জ্ঞান আৰু দক্ষতা নিজৰ দেশখনত মানৱীয়তাৰ ক্ষেত্ৰখনত আগবঢ়াব বুলিও আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণন আৰু ৰাজ্যিক উচ্চ তথা কাৰিকৰী শিক্ষাৰ মুৰববী চন্দ্ৰকান্ত পাটিলো উপস্থিত থাকে। এই বিশ্ববিদ্যালয়খনত ৮৫ খন ৰাষ্ট্ৰৰ শিক্ষাৰ্থীয়ে অধ্যয়ন কৰি আছে আৰু তেওঁলোকে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক নিজৰ দেশৰ পতাকা উপহাৰ দিয়ে।

ooooooo

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কৈছে যে, গাজা-ইজিপ্ত সীমান্তৰ ফিলাডেল্‌ফি ক'ৰিড'ৰত ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনী নিয়োগ কৰি ৰখাটো ইজৰাইলৰ কৌশলগত আৱশ্যকতা আৰু দেশখনৰ বাবে অপৰিহাৰ্য্য। শ্ৰী নেতান্যাহুৱে এটা বিবৃতি যোগে ইজৰাইলৰ বাবে যুদ্ধ লক্ষ্যত উপনীত হোৱাৰ দিশৰ পৰা ১৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ভূমি ভাগ গুৰুত্বপূৰ্ণ বুলি প্ৰকাশ কৰিছে। ফিলাডেল্‌ফি ক'ৰিড'ৰেৰে হামাছক অস্ত্ৰ-শস্ত্ৰ যোগান ধৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। ইজৰাইলৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে যোৱা সপ্তাহত গাজা সুৰংগত ছগৰাকী পনবন্দীক হত্যা কৰাৰ বাবে হামাছে পৰিনাম ভোগ কৰিব লাগিব বুলি সকীয়াই দিছে। ইপিনে ইজৰাইলৰ হাজাৰ হাজাৰ লোকে পণবন্দীসকলক নিৰাপদে উদ্ধাৰ কৰাৰ বাবে হামাছৰ সৈতে যুদ্ধ বিৰতি সম্পৰ্কে আলোচনা কৰিবলৈ দাবী জনাই দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰিছে।

ooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কৈছে যে, ভাৰত আৰু ছিংগাপুৰৰ দ্বিপাক্ষিক সম্পৰ্ক পৰৱৰ্তী পৰ্যায়লৈ লৈ যোৱাৰ সময় আহি পৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ছিংগাপুৰ ভ্ৰমণৰ পূৰ্বে এখন দৈনিক ইংৰাজী কাকতত দিয়া এটা সাক্ষাৎকাৰত শ্ৰী জয়শংকৰে যোৱা দুটা দশকত দুয়োখন দেশৰ সম্পৰ্ক যথেষ্ট সুদৃঢ় হৈ আহিছে বুলি উল্লেখ কৰে। তেওঁ কয় যে, দ্বিপাক্ষিক সম্পৰ্কৰ বাহিৰেও অস্থিৰ আৰু অনিশ্চিত পৃথিৱীখনত দুয়োখন দেশৰ সহযোগিতাৰ বিষয়টোও এটা উল্লেখযোগ্য দিশ। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, এই ক্ষেত্ৰত দুয়োখন দেশে বিশ্বাস

আৰু বুজাবুজিৰ মাজেৰে সম্পৰ্ক সুদৃঢ় কৰি ৰাখিব লাগিব। আনহাতে ছিংগাপুৰত থকা ভাৰতীয় উচ্চায়ুক্ত ড০ শিল্পক আম্বুলে কয় যে, ভাৰত আৰু ছিংগাপুৰে নতুন তথা উদীয়মান ক্ষেত্ৰসমূহত অধিক উন্নয়নৰ বাবে সম্পৰ্ক স্থাপন কৰিছে। তেওঁ কয় যে, আছিয়ান দেশসমূহৰ সৈতে ভাৰত সম্পৰ্কিত হৈ থকাৰ ক্ষেত্ৰত ছিংগাপুৰ স্তম্ভ হৈ আছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি আৰু কাইলৈ গুৱাহাটী তথা ইয়াৰ আশে-পাশে ধাৰাষাৰ বৰষুণ হোৱা আগজাননী দিছে। বিভাগটোৱে প্ৰকাশ কৰা অনুসৰি অহা ২৪ ঘণ্টাৰ ভিতৰত অঞ্চলটোত সাতৰ পৰা ১১ চেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ফলস্বৰূপে অঞ্চলটোত ৰাস্তাঘাটত পানী হোৱাৰ লগতে দিছপুৰ তথা ইয়াৰ আশে-পাশে অঞ্চলত বৰষুণৰ জমা হোৱাৰ সম্ভাৱনা আছে। মুষলধাৰ বৰষুণৰ ফলত অঞ্চলটোৰ ৰাস্তা-ঘাটৰ ক্ষতি হোৱাৰ লগতে আবদ্ধ পানীয়ে যানযঁটৰ সমস্যাৰ সৃষ্টি কৰাৰ আশংকা প্ৰকাশ কৰিছে।

০০০০০০০

দক্ষিণ আফ্ৰিকাই ভাৰত আৰু চীনৰ পৰ্যটক বজাৰখনত গুৰুত্ব আৰোপ কৰি নতুন ভ্ৰমণ আঁচনি টি টি ও এছ ঘোষণা কৰিছে। দেশখনৰ গৃহ পৰিক্ৰমা বিভাগে কৈছে যে, এই আঁচনিখন অহা বছৰৰ জানুৱাৰী মাহৰ পৰা কাৰ্যকৰী কৰা হ'ব। ভিছা ব্যৱস্থাৰ সংশোধন আৰু পৰ্যটন খণ্ডত কৰ্মসংস্থান বৃদ্ধি কৰাই হৈছে এই আঁচনিখনৰ মূল লক্ষ্য। টি টি এছ এ দক্ষিণ আফ্ৰিকাক জনপ্ৰিয় পৰ্যটন স্থলী হিচাপে বিশ্বৰ দ্বিতীয় আৰু পঞ্চম বৃহৎ অৰ্থনীতিৰ দেশ দুখনে গ্ৰহণ কৰাৰ ক্ষেত্ৰত দেখা দিয়া বাধাসমূহ আঁতৰ কৰাত সহায়ক হ'ব। চৰকাৰৰ মতে দক্ষিণ আফ্ৰিকা ভ্ৰমণলৈ যোৱা আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীসকলৰ ভিতৰত মাত্ৰ তিনি দশমিক ৯ শতাংশহে ভাৰতীয় পৰ্যটক।

০০০০০০০

ভাৰতৰ ৰোহন বোপন্না আৰু ইণ্ডোনেছিয়াৰ অল্ডিলা ছুত্‌জিয়াদিৰ  যুটীটোৱে ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। অষ্টম বাচনিপ্ৰাপ্ত বোপন্না আৰু অল্ডিলাৰ যুটীটোৱে এঘণ্টা ৩৩ মিনিট জোৰা কোৱাৰ্টাৰ ফাইনেলত চতুৰ্থ বাছনিপ্ৰাপ্ত মেথিউ এবডেন আৰু বাৰব'ৰা ক্ৰেজিকোভাক ৭-৬, ২-৬, ১০-৭ ছেটত পৰাস্ত কৰে। বোপন্না আৰু অল্ডিলাৰ যুটীটো ছেমিফাইনেলত আমেৰিকাৰ ডোনাল্ড য়িং আৰু টেইলৰ টাউনছেণ্ডৰ সন্মুখীন হ'ব।

০০০০০০০

ভাৰতৰ সুমিত অন্তিলে নতুন অভিলেখ স্থাপনেৰে পেৰিছ পেৰালিম্পিকছৰ জেভলিন থ্ৰ'ত খিতাপ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে। খেলুৱৈগৰাকীয়ে  নিজৰ দ্বিতীয়টো প্ৰচেষ্টাত ৭০ দশমিক ৫-৯ মিটাৰ দূৰত্বলৈ জেভলিন দলিয়াই কালি এই কৃতিত্ব অৰ্জন কৰে।

একেদৰে নিতেশ কুমাৰে বেডমিণ্টনৰ পুৰুষৰ ছিংগলছৰ SL-3 শিতানত ডেনিয়েল বেটহেলক ২১-১৪, ১৮-২১, ২৩-২১ গেমত পৰাস্ত কৰি দেশৰ হকে দ্বিতীয়টো সোণৰ পদক অৰ্জন কৰে। আনহাতে পুৰুষৰ ছিংগলছৰ SL-4 শিতানত ভাৰতৰ সুহাছ  য়াথীৰাজেও ৰূপৰ পদক লাভ কৰে। খেলুৱৈগৰাকী ফাইনেলত যোৱাবাৰৰ বিজয়ী লুকাছ মাজুৰৰ বিৰুদ্ধে ৯-২১, ১৩-২১ গেমত পৰাজিত হয়। ইপিনে মহিলাৰ ছিংগলছৰ SU-5 শিতানত ভাৰতৰ পেৰা শ্বাটলাৰ থুলাচিমাথি মুৰুগেছানে ৰূপৰ পদক অৰ্জন কৰে। খেলুৱৈগৰাকী ফাইনেলত চীনৰ য়াং কিউজিয়াৰ

বিৰুদ্ধে পৰাজিত হয়। আন এগৰাকী ভাৰতীয় খেলুৱৈ মনিষা ৰামাদাসে মহিলাৰ ছিংগলছৰ SU-5 শিতানত ডেনমাৰ্কৰ কেথ্ৰিন ৰ'জেনগ্ৰেনক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক জয় কৰিছে। মহিলাৰ ছিংগলছৰ SH-6 শিতানত ইন্দোনেছিয়াৰ ৰীনা মাৰ্লিনাক ২১-১৪, ২১-৬ গেমত পৰাস্ত কৰি ভাৰতৰ নিত্যা শ্ৰীশিবানে ব্ৰঞ্জৰ পদক দখল কৰিছে।

ইপিনে ভাৰতৰ শীতল দেৱী আৰু ৰাকেশ কুমাৰৰ যুটীটোৱে পেৰা আৰ্চাৰীৰ মিক্সড শিতানৰ কম্পাউণ্ডৰ দলীয় শাখাত ব্ৰঞ্জৰ পদক জয় কৰিছে।

চলিত পেৰালিম্পিকছৰ পঞ্চম দিনা কালি ভাৰতৰ যোগেশ কাথুনিয়াই পুৰুষৰ ডিছ্‌কাছ্ থ্ৰ'ৰ F-56 শিতানৰ ফাইনেলত ৰূপৰ পদক অৰ্জন কৰে। এয়া হ'ল পেৰালিম্পিকছত খেলুৱৈগৰাকীৰ একেৰাহে দ্বিতীয়টো ৰূপৰ পদক। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাত ৩টা সোণ, ৫টা ৰূপ আৰু ৭টা ব্ৰঞ্জসহ মুঠ ১৫টা পদকেৰে পদক তালিকাৰ পঞ্চদশ স্থানত আছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদক বিজয়ী ভাৰতীয় খেলুৱৈসকলক অভিনন্দন জনাইছে।

প্ৰতিযোগিতাৰ আজি ষষ্ঠ দিনা ভাৰতীয় খেলুৱৈসকলে শ্বুটিং, আৰ্চাৰী আৰু এথলেটিকছকে ধৰি বিভিন্ন শিতানত পদক জয়ৰ যুঁজত অৱতীৰ্ণ হ'ব। শ্বুটাৰ অৱনী লেখৰাই আৰু মোনা আগৰৱালে মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছনছৰ SH-1 শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে পূজাই মহিলাৰ ৰিকাৰ্ভ আৰ্চাৰীত পদক জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। মহিলাৰ শ্ব'টপুটৰ F-34 শিতানৰ ফাইনেলত ভাগ্যশ্ৰী যাদৱে শ্ৰেষ্ঠত্ব অৰ্জনৰ প্ৰয়াস কৰিব। একেদৰে মৰিয়াপ্পন থাংগাভেলু, শৈলেশ কুমাৰ আৰু শাৰদ কুমাৰে পুৰুষৰ হাই জাম্পৰ T-63 শিতানৰ ফাইনেলত দেশৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০০

**সমাপ্ত**